**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টীৰ সদস্য ভৰ্তি অভিযানৰ অধীনত ৰাজ্যত বৰ্তমানলৈ ৫২ লাখ লোকে অনলাইনযোগে বিজেপিত যোগদান কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে। কালি গুৱাহাটীৰ বশিষ্ঠত থকা ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত অটল বিহাৰী বাজপেয়ী ভৱনত সদস্য ভৰ্তি অভিযানৰ পৰ্যালোচনা কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে সমগ্ৰ দেশতে অব্যাহত থকা সদস্য ভৰ্তি অভিযানৰ অধীনত ৰাজ্যত দেশৰ ভিতৰত ৮৫ শতাংশ সদস্য ভৰ্তিৰ লক্ষ্য প্ৰাপ্তিৰে বিশেষ নজিৰ স্থাপন কৰিছে। এইক্ষেত্ৰত অসম সমগ্ৰ দেশৰ ভিতৰতে প্ৰথম স্থানত থকা বুলি তেওঁ অৱগত কৰে। ইয়াৰ উপৰি ৰাজ্যৰ ৭১ টা বিধানসভা সমষ্টিত নিৰ্ধাৰিত ৪০ হাজাৰতকৈ অধিক লোকে বিজেপিৰ সদস্য পদ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অহা ৯ অক্টোবৰৰ ভিতৰত ৰাজ্যৰ ৯০টাৰো অধিক বিধানসভা সমষ্টিত ৪০ হাজাৰৰো অধিক সদস্যভৰ্তি কৰিবলৈ সমৰ্থ হ'ব। জালুকবাৰী বিধানসভা সমষ্টিৰ কেইবালাখ লোকে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে সদস্য ভৰ্তি অভিযানৰ অধীনত বৰ্তমান ডিব্ৰুগড় জিলা শীৰ্ষত আছে বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যিক বিজেপিয়ে কালি আয়োজন কৰা পৰ্যালোচনা বৈঠকত সদস্য ভৰ্তি অভিযান সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। এই বৈঠকতে দলটোৰ সদস্যভৰ্তি অভিযানৰ দ্বিতীয় পৰ্যায় অফলাইন প্ৰক্ৰিয়াৰে আৰম্ভ হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ আজি দৰ্জী খাণ্ডু ৰাজ্যিক অধিৱেশন কক্ষত এটা জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছতে তেওঁ নামছাই জিলাত ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক ব্যৱসায় কাৰ্যালয় উদ্বোধন কৰিব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কালি অৰুণাচল প্ৰদেশৰ ইটানগৰত অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাক সামৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৭টা আঞ্চলিক গ্ৰাম্য বেংকৰ কাম-কাজ পৰ্যালোচনা কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত আয়োজিত বৈঠকত আঞ্চলিক গ্ৰাম্য বেংক আৰু পৃষ্ঠপোষক বেংকসমূহৰ অধ্যক্ষসকল উপস্থিত থাকে। বৈঠকত বিত্তীয় সেৱা বিভাগৰ সচিব, অতিৰিক্ত সচিবৰ উপৰি আৰ বি আই, নাবাৰ্ড আদিৰ প্ৰতিনিধি তথা উত্তৰ-পূৰ্বৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত ডিজিটেল প্ৰযুক্তি সেৱা উন্নীতকৰণ, ব্যৱসায়িক উন্নয়ন আৰু গ্ৰামীণ অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংকসমূহৰ ভূমিকা পালন সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে আজি মুকলি হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল

পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব। উল্লেখযোগ্য যে যোৱা বছৰৰ ৩১ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটন বৰ্ষৰ সামৰণি পৰাৰ পাছত আজি বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উদ্যানখন মুকলি কৰিব। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকিব।

০০০০০০০

তিনিচুকীয়া জিলা গঠনৰ আজি ৩৫ বছৰ সম্পূৰ্ণ হ'ব। ১৯৮৯ চনৰ এক অক্টোবৰত পূৰ্ণ পৰ্যায়ৰ জিলা হিচাপে তিনিচুকীয়াই স্বীকৃতি লাভ কৰিছিল। ১৯৭১ চনলৈকে অবিভক্ত লখিমপুৰ জিলাৰ অন্তৰ্গত হৈ থকা তিনিচুকীয়া পৰৱৰ্তী সময়ত অবিভক্ত ডিব্ৰুগড় জিলাৰ অন্তৰ্ভুক্ত হৈছিল। প্ৰশাসনে এইবাৰ জিলাখনৰ বৰগুড়িত থকা আই টি আই খেলপথাৰত জিলা দিৱসৰ আয়োজন কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহৰ সৈতে সংগতি ৰাখি যোৱা এক ছেপ্তেম্বৰৰ পৰা উদযাপন কৰা ৰাজ্যিক পোষণ মাহৰ আজি সামৰণি পৰিব। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত আৰম্ভ হ'বলগীয়া সামৰণি অনুষ্ঠানত মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে বিধায়ক মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০০

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পও পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখন মুকলি কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন হৈছে। উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

০০০০০০০

ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত তিনিচুকীয়া জিলাত ১৬৩ ধাৰা জাৰি কৰা হৈছে। এই ধাৰা বলৱৎ হৈ থকাৰ সময়ছোৱাত কোনো দল-সংগঠনে জনপ্ৰতিনিধিৰ ব্যক্তিগত গৃহ ঘেৰাও কৰিব নোৱাৰিব। তদুপৰি প্ৰশাসনৰ অনুমতি অবিহনে কোনো দল-সংগঠনে ৰাজহুৱা স্থানত প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰিব নোৱাৰিব। ১৬৩ ধাৰাৰ অধীনত জিলাখনত ৰাষ্ট্ৰীয় ঘাইপথ অবৰোধতো নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে কালি ২ উইকেট ২৬ ৰান সংগ্ৰহ কৰি থকাৰ পৰা নিজৰ খেল আৰম্ভ কৰিব। কালি খেল সমাপ্তিৰ সময়ত বাংলাদেশৰ মমিনুল হক আৰু ছাদমান ইছলামে বেটিং কৰি আছিল। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দুয়োটা উইকেট দখল কৰিছিল। ইয়াৰ পূৰ্বে ভাৰতে কালি ৯ উইকেট হেৰুৱাই ২৮৫ ৰান সংগ্ৰহ কৰাৰ পাছত প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰিছিল।

উল্লেখযোগ্য যে কালি ভাৰতীয় দলটোৱে টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্ৰুততম ৰান সংগ্ৰহৰ কেইবাটাও অভিলেখ স্থাপন কৰে। যশস্বী জয়ছোৱালে ৩১টা বলত ৫০ ৰান সংগ্ৰহ কৰে, যিটো ভাৰতীয় অপেনাৰৰ সৰ্বাধিক দ্ৰুততম অৰ্ধশতক।

০০০০০০০০

সমাপ্ত